ইণ্টাৰনেটত 'দৈনিক অসম' http://dainik.asomtribune.com

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত

## নতুন বছৰত অসমৰ কৃষিক্ষেত্ৰৰ বাবে সুখবৰ

# পথাৰৰ সৈতে পোনপটীয়াকৈ সংযুক্ত হ'ব কৃষি বিজ্ঞানী-কৃষি উদ্যোগী

**যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ে আৰম্ভ কৰিছে কৃষি বজাৰ তথ্য আৰু সূচনা কেন্দ্ৰ ■ পথাৰত নষ্ট নহয় কষ্টৰ ফচল ■ খেতিপথাৰতে বজাৰৰ তথ্য লাভ কৰিব খেতিয়কে ■ আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ ৱেবছাইটে দেখুৱাব কৃষকক সঠিক পথ**

■ অনিবেসন বৰুৱা

**যোৰহাট, ১১ জানুৱাৰী ঃ** খেতিপথাৰতে উৎপাদিত সামগ্ৰীৰ দাম তথা যোগান আৰু চাহিদাৰ তথ্য লাভ কৰি উপযুক্ত দামত বজাৰত নিজৰ সামগ্ৰী বিক্ৰী কৰি এতিয়াৰেপৰা উপকৃত হ'ব পাৰিব অসমৰ কৃষক। বজাৰত প্ৰয়োজনতকৈ বেছি সুলভ হোৱা খাদ্য শস্য নষ্ট হৈ কৃষক ক্ষতিগ্ৰস্ত হোৱা দুৰ্ভাগ্যবো অন্ত পৰিব। এক কথাত ক'বলৈ গ'লে কৃষকে বজাৰলৈ গৈ বিক্ৰী কৰাৰ চিন্তাৰ বিপৰীতে খেতিপথাৰতেই বজাৰ উপলব্ধ হ'ব এই প্ৰক্ৰিয়াত। তামিলনাডু, তেলেংগানা, গুজৰাট আদিৰ কৃষকৰ সৈতে একে শাৰীত খোজ পেলাব পাৰিব অসমৰ কৃষকে।

আধুনিক তথ্য প্ৰযুক্তিৰ সুন্দৰ ব্যৱস্থাপনাৰে যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ে এনে এবিধ ব্যৱস্থাৱলী সজাই তুলিছে— যাৰ জৰিয়তে কিনোতা আৰু বেচোঁতাই ঠগ নোখোৱাকৈ আৰু হাৰাশাস্তি নোহোৱাকৈ ক্ৰয়-বিক্ৰয় কৰিব পাৰিব। দেশৰ অগ্ৰণী কৃষি শিক্ষা-গৱেষণাৰ শিক্ষানুষ্ঠানখনে আৰম্ভ কৰা কৃষি বজাৰ তথ্য আৰু সূচনা কেন্দ্ৰ (AMIU)ৰ জৰিয়তে এতিয়াৰেপৰা বজাৰৰ সকলো গতি-বিধি সুন্দৰকৈ জানিব পাৰিব সকলোৱে। এছ এম এছৰ জৰিয়তে মুহূৰ্তে মুহূৰ্তে জানিব পাৰিব বজাৰৰ গতি-বিধি। বজাৰ ব্যৱস্থাপনাৰ যথোচিত খবৰৰ অভাৱত খেতিয়ক প্ৰায়ে লোকচানৰ সন্মুখীন হোৱা সময়তে এই আশাৰ খবৰ আহিছে, যাৰ জৰিয়তে উৎপাদক-ক্ৰেতা আৰু বিক্ৰেতাই নিজৰ পছন্দৰ কিনা-বেচাৰ তথ্য নিজৰ স্থানতে থাকি জানিব পাৰিব। সমান্তৰালভাৱে অসমৰ কৃষকক খেতিৰ লাভ দিবলৈ পোনপটীয়াকৈ কৃষকৰ সৈতে সংযুক্ত হ'ব কৃষি বিজ্ঞানী, কৃষি উদ্যোগী। মূৰৰ ঘাম মাটিত পেলোৱা শ্ৰম কৰি উৎপাদন কৰা কষ্টৰ ফচলৰ যথোচিত দাম নাপাই বাজাৰ কৃষকে বহু সময়ত মূৰে-কপালে হাত দিবলগীয়া হোৱা অৱস্থাৰ বিপৰীতে নতুন বছৰতে অসমৰ কৃষকলৈ আহিব এই ইতিবাচক খবৰ। লহপহকৈ বাঢ়ি থকা আশাৰ খেতিডৰাৰ মাজত থাকিয়েই যথোচিত লাভত ফচল বেচিব পৰা খবৰ পাব কৃষকে। ইয়াৰ ফলত যোগান আৰু চাহিদাৰ সামঞ্জস্য ৰক্ষা হৈ উপকৃত হ'ব কিনোতা আৰু বেচোঁতাৰ লগতে বিতৰক আৰু ব্যৱসায়ীজনো। কৃষিজাত সামগ্ৰীৰ বজাৰ মূল্যৰ অজ্ঞতা বৃদ্ধি, কৃষক বন্ধুসকলক সঠিক দৰ-দাম কৰাৰ সুবিধা, শস্য চপোৱাৰ পৰৱৰ্তী ব্যৱস্থাপনাৱলীৰ তথ্য প্ৰদান আৰু সঠিক বিপণন ব্যৱস্থা আদি উন্নত কৰাৰ বাবে অসম কৃষি বিশ্ববিদ্যালয়ৰ যোৰহাট চৌহদত স্থাপন কৰা হৈছে এই কৃষি বজাৰ তথ্য আৰু সূচনা কেন্দ্ৰ।

যোৱা বৰ্ষৰ মাজভাগৰপৰা কাম আৰম্ভ কৰা কৃষি বজাৰ তথ্য আৰু সূচনা কেন্দ্ৰই ইতিমধ্যে অসমৰ ১৫খন জিলাত কাম আৰম্ভ কৰিছে। প্ৰথম পৰ্যায়ত জিলা ভিত্তিত এজনকৈ ক্ষেত্ৰভিত্তিক অনুসন্ধান কৰ্মী (FDE) নিয়োগ কৰা হৈছে। এইসকলে অসম তথা ভাৰতবৰ্ষৰ মুখ্য বজাৰসমূহৰপৰা নিয়মীয়াকৈ বজাৰৰ তথ্য সংগ্ৰহ কৰিব।

অসমৰ ১৫খন জিলাৰ দৈনিক বজাৰ আৰু ৪০খন সাপ্তাহিক বজাৰৰপৰা কৃষি সামগ্ৰীৰ পাইকাৰী আৰু খুচুৰা দাম তথা বজাৰত কৃষিজাত দ্ৰব্যৰ উপলব্ধতাৰ তথ্য সংগ্ৰহ কৰিছে। এই ব্যতিক্ৰমী কেন্দ্ৰটো সম্পৰ্কত জানিবলৈ দি কৃষি বজাৰ তথ্য আৰু সূচনা কেন্দ্ৰ মুৰব্বী তথা অসম কৃষি বিশ্ববিদ্যালয়ৰ কৃষি অৰ্থনীতি আৰু খাম পৰিচালনা বিভাগৰ মুৰব্বী অধ্যাপিকা ড° নিবেদিতা ডেকাই কয় যে FDEসকলে লাভ কৰা তথ্যসমূহ সুলভ কৰিবলৈ আমি 'KOBO COLLECT' নামেৰে এটা অনলাইন এপ্ ব্যৱহাৰ কৰা হৈছে। এই এপৰ জৰিয়তে বা সংগৃহীত তথ্য যাতে কৃষকে হাততে পাব পাৰে, তাৰ বাবে কৃষকলৈ এছ এম এছ পঠোৱাৰো ব্যৱস্থা কৰা হৈছে। আটাইতকৈ ভাল খবৰটো হ'ল যে নতুন বছৰৰ আৰম্ভণিতে আমি AMIUৰ ৱেবছাইট আৰম্ভ কৰিম আৰু যাৰ জৰিয়তে আধুনিক তথ্যপ্ৰযুক্তি তথা কৃষিক্ষেত্ৰৰ শেহতীয়া ধাৰাৰ সৈতে আমাৰ খেতিয়ক সংযুক্ত হ'ব পাৰিব। উল্লেখ্য যে কৃষক তথা ক্ৰেতা-বিক্ৰেতাই সহজে বজাৰ তথ্য জানিব পৰাকৈ এই প্ৰকল্পৰ অধীনত বাতৰি কাকত, দূৰদৰ্শন, ৰেডিঅ'ত বজাৰৰ তথ্য প্ৰচাৰ কৰাৰ উপৰি ম'বাইল এপ্লিকেচন, এছ এম এছ সেৱা আৰু বজাৰসমূহত তথ্য ফলকৰ ব্যৱস্থা থাকিব। এপাৰ্টৰ সহযোগত বিশ্ববেংকৰ অনুদানেৰে আৰম্ভ কৰা এই সমগ্ৰ কেন্দ্ৰটো আগবঢ়াই নিবলৈ অসম কৃষি বিশ্ববিদ্যালয়ৰ কৃষি অৰ্থনীতি আৰু খাম পৰিচালনা বিভাগ আৰু সম্প্ৰসাৰণ শিক্ষা বিভাগৰ অধ্যাপক বিজ্ঞানীসকল জড়িত হৈ থাকিব। কৃষকে যাতে সহজে এই প্ৰক্ৰিয়াৰ অংশীদাৰ হৈ নিজকে উপকৃত কৰিব পাৰে, তাৰ বাবে কৃষি বজাৰ তথ্য আৰু সূচনা কেন্দ্ৰৰ জৰিয়তে কৃষকৰ পথাৰলৈ গৈ মত বিনিময় কৰা হ'ব। তদুপৰি সময়ে সময়ে কৃষক উৎপাদক গোটসমূহৰ সহযোগত প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হ'ব। ইতিমধ্যে এই কাৰ্যসূচীৰ অধীনত উজনি অসমৰ জিলাকেইখনৰ নিৰ্বাচিত কৃষকক লৈ এক প্ৰশিক্ষণ অনুষ্ঠিত হোৱাৰ লগতে কৃষকৰ পথাৰত আন এখন সজাগতা সভা অনুষ্ঠিত হৈছে।

অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনৰ কৃষি বিজ্ঞান কেন্দ্ৰসমূহৰ সমন্বয়ত ক্ষেত্ৰভিত্তিক অনুসন্ধান কৰ্মীসকলে তথ্য সংগ্ৰহ কৰি কৃষকৰ অধিক কাষ চাপি যোৱাৰ বাবেও পদক্ষেপ লৈছে। নতুন বছৰৰ আৰম্ভণিতে অতিৰিক্ত আঠখন জিলালৈ এই কাৰ্যসূচী সম্প্ৰসাৰণ কৰি অসমত উৎপাদিত কৃষিজাত সামগ্ৰীৰ বৰ্তমান আৰু ভৱিষ্যৎ মূল্যৰ ধাৰা সম্পৰ্কে সময়মতে পৰামৰ্শ প্ৰদান কৰি কৃষক বন্ধুসকলক তেওঁলোকৰ উৎপাদিত সামগ্ৰী বিক্ৰী কৰাৰ ক্ষেত্ৰত সঠিক সিদ্ধান্ত লোৱাত সহায় কৰিব। তদুপৰি শস্য চপোৱাৰ পৰৱৰ্তী ব্যৱস্থাৱলী, বিপণন আদিৰ কাৰিকৰী দিশৰ সৈতে সম্বন্ধিত জ্ঞান শৃংখলাৰ জৰিয়তে কৃষকসকল আৰু দাম শৃংখলৰ সৈতে জড়িত অন্যান্য লোকসকলৰ দক্ষতা বৃদ্ধিৰ বাবে মত বিনিময়, আলোচনা সভা আৰু প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হ'ব। সমান্তৰালভাৱে আন্তঃগাঁথনিগত সুবিধাসমূহ আৰু সেৱা সম্বন্ধীয় সকলো তথ্য প্ৰদান কৰিব।

এই সমগ্ৰ প্ৰক্ৰিয়াটোত ন'ডেল অফিচাৰৰ দায়িত্বত আছে ড° ৰূপম বৰগোহাঁই। বিশ্ববিদ্যালয়ৰ গৱেষক বিজ্ঞানী ড° ৰমেন শৰ্মা, ড° সংগীতা বৰা, ড° উদেষ্ণা তালুকদাৰ, ড° উৎপল বৰ্মন, ড° বিপুল ডেকা এই কোষৰ জৰিয়তে সমগ্ৰ ব্যৱস্থাপনাত জড়িত থাকিব। আনহাতে, এপাৰ্টৰ হৈ নবীন সাগৰ, আমীৰ আলী আহমেদ আৰু ড° ৰবন বায়ন জড়িত আছে।

এই ব্যৱস্থাৱলী সম্পূৰ্ণ হ'লে অসমৰ কৃষকে কষ্টৰ ফচলৰ যথোচিত লাভ আহৰণ কৰাৰ লগতে ব্যৱসায়ীসকলে বজাৰ উপলব্ধতাৰ জৰিয়তে কৃষিজাত সামগ্ৰীৰ ব্যৱসায় কৰি সামগ্ৰিকভাৱে অসমৰ কৃষিক্ষেত্ৰখনকো নতুন গতিৰে আগবাঢ়ি যোৱাত সহায় কৰিব বুলি আশা কৰা হৈছে।